




# লাঞ্চ বক্স
# নতুন অস্কাৰ বিতৰ্ক




চলচ্চিত্ৰ | জিতুমণি পাঠক

ভাৰতবাসীৰ অস্কাৰ প্ৰত্যাশা প্ৰথম জাগ্ৰত হৈছিল মাডাৰ ইণ্ডিয়া ছবিখনক লৈ। ১৯১৩ চনত প্ৰথম ছবি 'ৰাজা হৰিশ্চন্দ্ৰৰে' ছবি নিৰ্মাণৰ পাতনি কৰা ভাৰতবৰ্ষৰ বাবে মাডাৰ ইণ্ডিয়াৰ অস্কাৰলৈ যাত্ৰা নিঃসন্দেহে আছিল এক অতিকে উৎসাহপূৰ্ণ খবৰ। ১৯৫৭ চনত মাডাৰ ইণ্ডিয়াই যেতিয়া ভাৰতক প্ৰতিনিধিত্ব কৰিছিল সেয়া ভাৰতীয় ছবিৰ তেনেই চালুকীয়া সময়ৰ কথা বুলি ক'ব পাৰি। ইয়াৰ আগলৈ অস্কাৰত ইংৰাজী ভাষাৰ উপৰি আন কোনো ভাষাৰ ছবিক পদকৰ বাবে মনোনয়ন আগবঢ়োৱাটো পৰম্পৰা বিৰোধী আছিল বুলি গণ্য কৰা হৈছিল। ১৯৫৭ চনতহে প্ৰথম বাৰৰ বাবে 'বিদেশী ভাষাৰ শ্ৰেষ্ঠ ছবি'-ৰ শিতানটি অস্কাৰত অন্তৰ্ভুক্ত কৰা হয়। ভাৰতীয় ছবিৰ প্ৰথম অন্তৰ্ভুক্তি হিচাপে মাডাৰ ইণ্ডিয়াই সেইবাৰ ভাৰতীয় জনসাধাৰণক আশাতকৈও যেন বেছি সন্তুষ্টি প্ৰদান কৰিছিল কিয়নো প্ৰথম ভাৰতীয় ছবিখনেই ছৰ্ট লিষ্টেড হোৱা বিশ্বৰ ভিন্ন দেশৰ চাৰিখন ছবিৰ ভিতৰত অন্যতম এখন হোৱাৰ কৃতিত্ব লাভ কৰিছিল। ইয়াৰ লগে লগে যেন ভাৰতবাসীৰ মনতো অস্কাৰ লাভৰ প্ৰত্যাশা বৃদ্ধি পাইছিল। কিন্তু কাৰ্যতঃ ভাৰতীয় ছবি উদ্যোগে আজি এশ বছৰ অতিক্ৰম কৰাৰ পিছতো ভাৰতৰ সেই স্বপ্ন পূৰণ হোৱা নাই। এৰা ধৰাকৈ প্ৰায় প্ৰতিটো বছৰে ভাৰতীয় ছবিয়ে অস্কাৰত ভুমুকি মাৰিছে যদিও ভাৰতীয় ছবিৰ অস্কাৰৰ দৌৰ যেন তাতেই সীমাবদ্ধ হৈ ৰৈছে। যোৱা বছৰ 'বৰ্ফি' নামৰ ছবিখনে একেই প্ৰত্যাশাৰ সৃষ্টি কৰিছিল যদিও বাস্তৱত বৰ্ফিৰ অস্কাৰৰ দৌৰ প্ৰাৰম্ভিক পৰ্যায়তে স্তব্ধ হৈ গ'ল। এইবাৰ কিন্তু অস্কাৰত ভাৰতৰ তৰফৰ পৰা অফিচিয়েল এণ্ট্ৰিক লৈ আৰম্ভণিতে কেণা লাগিছে। ইয়াৰ কাৰণ হ'ল এখন ছবিয়ে সৃষ্টি কৰা বিতৰ্ক। ছবিখনৰ নাম হ'ল— 'লাঞ্চ বক্স'।

লাঞ্চ বক্স ছবিখন দুগৰাকী নিঃসঙ্গ পুৰুষ-মহিলাৰ মাজত গঢ় লৈ উঠা এক ব্যতিক্ৰমী প্ৰেম কাহিনীৰ ওপৰত আধাৰিত। প্ৰেমৰ উপৰি ইয়াত আছে হেৰুৱাৰ বেদনা, বিস্মিতিৰ গহ্বৰত জীৱনক বিচৰাৰ প্ৰয়াসৰ অনন্য চিত্ৰণ। ছবিৰ নায়ক ছাজন ফাৰ্ণাণ্ডেজ (ইৰফান খান) এটা অফিচত কৰ্মৰত যদিও প্ৰায় অৱসৰৰ ওচৰ চাপিছে। ছবিৰ নায়িকা ইলা (নিমৰাত কৌৰ) এগৰাকী গৃহিণী, পতিৰ উপস্থিতিতো যিয়ে প্ৰায় কটাব লগীয়া হৈছে এক নিঃসঙ্গ জীৱন। পতিৰ মন পাবলৈ ইলাই ঘৰত নিতৌ সুস্বাদু খাদ্য ৰান্ধি 'ডাব্বাৱালা'ৰ জৰিয়তে পতিৰ অফিচলৈ পঠিয়াবলৈ ল'লে যি আছিল তেওঁৰ একমাত্ৰ সামৰ্থ্য আৰু ভাবিছিল এই উপায়েৰেই এদিন পতিৰ মন জয় কৰিবলৈ সক্ষম হ'ব। ঘটনাক্ৰমে, ইলাই পঠিওৱা এটি টিফিন বক্স আৰু এখন চিঠি 'ডাব্বাৱালাৰ' ভুলৰ বাবে গৈ পৰে ছাজনৰ হাতত। সৌজন্যবশতঃ ছাজনেও সেই চিঠিৰ উত্তৰ লিখি ভুল ঠিকনালৈ অহা কথা জনাই খালী টিফিন বক্সত পঠিয়াই দিয়ে। এনেকৈয়ে আৰম্ভ হয় দুগৰাকী অচিন ব্যক্তিৰ মাজত চিঠিৰ আদান-প্ৰদান। টিফিন বক্সে কঢ়িয়াই অনা চিঠিৰ মাজেৰে দুখন নিঃসঙ্গ হৃদয়ৰ ঘনিষ্ঠতা ক্ৰমাৎ বৃদ্ধি পাবলৈ ল'লে ইজনে-সিজনক নেদেখাকৈয়ে। পৰিচালক ৰিতেশ বাত্ৰাই প্ৰেমৰ অনবদ্য উপস্থাপনৰে নিৰ্মিত এই ছবিখনৰ প্ৰথম প্ৰদৰ্শনৰ ব্যৱস্থা কৰিছিল ১৯ মে', ২০১৩-ৰ কাঁ চলচ্চিত্ৰ মহোৎসৱৰ 'International critic's week'-ৰ এটা প্ৰদৰ্শনীত; য'ত ছবিখনে যথেষ্ট সমাদৰ লাভ কৰাৰ লগতে 'ক্ৰিটিকছ্ উইক ভিউৱাৰ চয়েছ' সন্মানেৰেও সন্মানিত হয়। তদুপৰি ছবিখনৰ বিশেষ প্ৰদৰ্শনৰ ব্যৱস্থা কৰা হয় ২০১৩-ৰ টৰণ্টো আন্তঃৰাষ্ট্ৰীয় চলচ্চিত্ৰ মহোৎসৱতো। সকলোতে ছবিখনে লাভ কৰে দৰ্শক তথা সমালোচকৰ বিশেষ প্ৰশংসা।

'লাঞ্চ বক্স'-ৰ পৰিচালক ৰিতেশ বাত্ৰাই ইয়াৰ পূৰ্বে কেইবাখনো চুটি ছবি পৰিচালনা কৰিছিল যদিও পূৰ্ণদৈৰ্ঘ্যৰ ছবি হিচাপে এয়া তেওঁৰ প্ৰথম প্ৰয়াস। প্ৰথমখন ছবিৰ জৰিয়তেই ৰিতেশ বাত্ৰাই দেখুৱাইছে পৰিচালক হিচাপে তেওঁৰ সম্ভাৱনাক। ৰিতেশে প্ৰথমে মুম্বাইৰ ডাব্বাৱালাসকলক লৈ এখন চুটি ছবি নিৰ্মাণ কৰাৰ পৰিকল্পনা কৰিছিল আৰু ইয়াক বাস্তৱায়িত কৰিবলৈ যেতিয়া তেওঁলোকৰ মাজলৈ গৈছিল তেতিয়াই তেওঁলোকৰ পৰা শুনিবলৈ পাইছিল কিছুমান ৰোমাঞ্চিত কৰি দিব পৰা সত্য ঘটনাৰ বিৱৰণ। এই ঘটনাবোৰে বাত্ৰাক প্ৰভাৱিত কৰিছিল আৰু তেওঁ চুটি ছবিৰ পৰিকল্পনা বাদ ব্যস্ত হৈ পৰিছিল এখন পূৰ্ণদৈৰ্ঘ্যৰ ছবিৰ বাবে কাহিনী লিখাত। ছবিখনক লৈ বাত্ৰা ইমানেই ছিৰিয়াছ আছিল যে শ্বুটিঙৰ সময়ত যাতে নায়ক-নায়িকাই ইজনে সিজনক নজনাৰ বাবে মুখত কেনে ভাব ফুটি উঠে সেয়া যাতে অধিক বাস্তৱ ৰূপত প্ৰতিফলিত হয় তাৰ বাবে বাস্তৱৰ নায়ক ইৰফান খান আৰু নায়িকা নিমৰাত কৌৰক প্ৰথমবাৰ মিলাইছিল সেইদিনাখন যিদিনাখন ছবিখনৰ কাহিনী অনুযায়ী দুয়োৰে দুয়োক প্ৰথম দেখাৰ দৃশ্য দৃশ্যায়িত কৰা হ'ব। বাত্ৰাৰ এই ছিৰিয়াছনেছে সুফল দেখুৱাইছিল কাঁ আৰু লণ্ডন চলচ্চিত্ৰ মহোৎসৱত দুটাকৈ সন্মান কঢ়িয়াই আনি। তদুপৰি ছবিখনে বিশ্বৰ বিভিন্ন চলচ্চিত্ৰ মহোৎসৱৰ বাবে আমন্ত্ৰিতও হৈছিল। এনে এক প্ৰেক্ষাপটত সকলোৱে আশা কৰিছিল যে বাত্ৰাৰ ছবি 'লাঞ্চ বক্সে' এইবাৰ হয়তো ভাৰতৰ অস্কাৰ ভাগ্য মুকলি কৰিব। কিন্তু মূৰকত দেখা গ'ল যে 'লাঞ্চ বক্স'-ক আঁতৰাই এইবাৰ 'ফিল্ম ফেডাৰেচন অব্ ইণ্ডিয়াই' নিৰ্বাচন কৰিলে অনাকাংক্ষিতভাৱে এখন গুজৰাটী ছবি 'গুড ৰোড'-ক। ফিল্ম ফেডাৰেচন অব্ ইণ্ডিয়াৰ এই সিদ্ধান্তত ক্ষুব্ধ হৈ পৰিছে ভিন্ন মহল। বহুতে মত প্ৰকাশ কৰিছে যে ফিল্ম ফেডাৰেচনৰ এই সিদ্ধান্ত হঠকাৰী। ছবিখনৰ প্ৰযোজক অনুৰাগ কাশ্যপে টুইটাৰত তাৎক্ষণিক প্ৰতিক্ৰিয়া প্ৰকাশ কৰিছে এইদৰে— 'মই নাজানো এই ফেডাৰেচননো কি, কিন্তু এটা কথা ঠিক যে তাত থকাসকলে কোনবোৰ ছবিয়ে দেশৰ পৰিসীমা পাৰ কৰিব পাৰে সেই সম্পৰ্কে অজ্ঞ।' বিশিষ্ট চলচ্চিত্ৰ পৰিচালক কৰণ জোহৰে মন্তব্য কৰিছে যে ফিল্ম ফেডাৰেচন অব্ ইণ্ডিয়াৰ এক অবিবেচকী সিদ্ধান্তৰ বাবে হয়তো ভাৰতে এইবাৰ অস্কাৰ জয়ৰ নিশ্চিত সুযোগ এটি হেৰুওৱাৰ সম্ভাৱনা প্ৰকট হৈ উঠিছে। 'লাঞ্চ বক্স'-ৰ দৰে এখন ছবিক কি যুক্তিতনো অস্কাৰত প্ৰতিদ্বন্দ্বিতা কৰাৰ পৰা বিৰত কৰা হ'ল সেয়া তেওঁৰ বোধগম্য নহয়। এতিয়ালৈ বিভিন্ন চলচ্চিত্ৰ সমীক্ষকৰ হাতত 'লাঞ্চ বক্স'-এ যিমান ৰেটিং লাভ কৰিছে সেয়া কোনো ভাৰতীয় ছবিয়ে পূৰ্বতে লাভ কৰিবলৈ সক্ষম হোৱা নাছিল। প্ৰাক্ সমীক্ষাবোৰতো 'লাঞ্চ বক্স'-ক অস্কাৰৰ বাবে আটাইতকৈ দাবীদাৰ ছবি হিচাপে গণ্য কৰা হৈছিল। সেয়েহে শেষ মুহূৰ্তত সৃষ্টি হোৱা এই নাটকীয় পৰিৱৰ্তনে ক্ষুব্ধ কৰি তুলিছে সকলোকে। যদিহে ৮৬তম একাডেমী এৱাৰ্ড প্ৰতিযোগিতাত 'গুড ৰোড'-এ আশানুৰূপ ফল দেখুওৱাব নোৱাৰে তেন্তে এই বিতৰ্কই যে পুনৰ মূৰ তুলি উঠিব আৰু 'ফিল্ম ফেডাৰেচন অব ইণ্ডিয়াই' যে তীব্ৰ সমালোচনাৰ সন্মুখীন হ'ব সেয়া ধ্ৰুৱপ। ■

> 'লাঞ্চ বক্স'-ক আঁতৰাই এইবাৰ 'ফিল্ম ফেডাৰেচন অব্ ইণ্ডিয়াই' অনাকাংক্ষিতভাৱে নিৰ্বাচন কৰিলে এখন গুজৰাটী ছবি 'গুড ৰোড'-ক। ফিল্ম ফেডাৰেচন অব্ ইণ্ডিয়াৰ এই সিদ্ধান্তত ক্ষুব্ধ হৈ পৰিছে ভিন্ন মহল। বহুতে মত প্ৰকাশ কৰিছে যে ফিল্ম ফেডাৰেচনৰ এই সিদ্ধান্ত হঠকাৰী।

